জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২৪/২০২১**

**মহানগৰীত নিৰ্মাণৰত উৰণীয়া সেতুঁসমূহৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে**

# অহা ৩০ ছেপ্টেম্বৰৰ ভিতৰত দিছপুৰ ছুপাৰমাৰ্কেটৰ উৰণীয়া সেতুঁৰ কাম সম্পূৰ্ণ কৰাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৬ মে' ঃ** গুৱাহাটী মহানগৰীৰ দিছপুৰ ছুপাৰমাৰ্কেট, মালিগাঁও আৰু চেৰাবভাটিত নিৰ্মাণৰত উৰণীয়া সেতুঁৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৌৰোহিত্যত জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত এক বৈঠক অনুষ্ঠিত হয়।

বৈঠকত মুখ্যমন্ত্ৰীয়ে এই তিনিওখন উৰণীয়া সেতুঁৰ নিৰ্মাণ কাৰ্য অধিক খৰতকীয়া কৰাৰ বাবে তেওঁ নিৰ্দেশ দিয়ে। ইয়াৰ বাবে প্ৰয়োজনীয় পুঁজি অগ্ৰাধিকাৰৰ ভিত্তিত মোকলাই দিয়াৰ বাবেও বিত্ত বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে অহা ৩০ ছেপ্টেম্বৰৰ ভিতৰত দিছপুৰ ছুপাৰমাৰ্কেটৰ উৰণীয়া সেতুঁৰ কাম সম্পূৰ্ণ কৰিবলৈ বিভাগক নিৰ্দেশ দিয়ে। আনহাতে, মালিগাঁৱৰ উৰণীয়া সেতুঁৰ নিৰ্মাণ কাৰ্য অধিক খৰতকীয়া কৰাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। ইয়াৰ বাবে এক সুবিস্তৃত যান-বাহন চলাচলৰ পৰিকল্পনা প্ৰস্তুত কৰিবলৈ মহানগৰ আৰক্ষী আয়ুক্তক তেওঁ নিৰ্দেশ দিয়ে। আনহাতে, ক'ভিড সম্বন্ধীয় সান্ধ্য আইনৰ সময়ছোৱাতে ছেৰাবভাটিৰ উৰণীয়া সেতুঁৰ পাইলিঙৰ কাম সম্পূৰ্ণ কৰাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে আমবাৰীৰ পৰা নুনমাটিলৈ নিৰ্মাণ কৰিবলগীয়া উৰণীয়া সেতুঁৰ বিস্তৃত প্ৰকল্প প্ৰতিবেদন তিনি মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈও আজিৰ বৈঠকতে নিৰ্দেশ দিয়ে।

আজিৰ এই পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, লোকনিৰ্মাণ বিভাগৰ শীৰ্ষ বিষয়া, মহানগৰ আৰক্ষী আয়ুক্ত, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত প্ৰমুখ্যে বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ / বঃভাঃ**
**১৬/০৫/২০২১**